জয় বিদ্যা　　　　জয় সংস্কৃতি　　　　জয় ভাৰত মাতা


বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ

# শিশু শিক্ষা সমিতি, অসম

প্ৰশান্ত পথ, ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী - ৭৮১০২৪

দূৰভাষ ঃ (০৩৬১) ২৪৫৩৯৭৬


দিনাংক ঃ ২৫/০৪/২০১৫

প্ৰতি,

মাননীয়/মাননীয়া,

শ্ৰীযুত/শ্ৰীযুতা ..........................................

..........................................

**বিষয় ঃ শিশু শিক্ষা সমিতি, অসমৰ সাধাৰণ সভা - ২০১৫**

মহোদয়/মহোদয়া,

সাদৰ নমস্কাৰ। বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানে দেশৰ নৱ প্ৰজন্মক ৰাষ্ট্ৰীয় বোধশক্তি তথা সামাজিক জীৱনৰ মূল্যবোধ জাগৰিত কৰি কৰ্ম সংস্কৃতিৰে স্ব-নিৰ্ভৰশীল, কৰ্তব্যপৰায়ণ, স্বাভিমানী, সৰল চৰিত্ৰৱান তথা শ্ৰদ্ধাশীল নাগৰিক নিৰ্মাণৰ কাৰণে ভাৰতীয় আধ্যাত্মবাদৰ আধাৰত শিশু সকলক শৈশৱৰে পৰা শিক্ষা দি শিক্ষাৰ ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এই কাৰ্য্যৰ আৰু অধিক অগ্ৰগতিৰ বাবে বিদ্যা ভাৰতীৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা আপুনিও চেষ্টা চলাই আছে। আমাৰ এই কাৰ্য্যৰ বিগত বছৰৰ সমীক্ষা আৰু আগন্তুক যোজনাৰ বাবে বাৰ্ষিক সাধাৰণ সভাত আমি সকলোৱে মিলি চিন্তা-চৰ্চা কৰি আহিছো।

চলিত বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন ১৩ আৰু ১৪ জুন, ২০১৫ তাৰিখ শনিবাৰ আৰু দেওবাৰে নিম্নলিখিত স্থান আৰু সময় অনুসৰি আয়োজন কৰা হৈছে।

উক্ত সাধাৰণ সভাত আপোনাৰ উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰা হ'ল।

| সূচনা ঃ | আলোচ্য বিষয় ঃ |
|---|---|
| ১। উক্ত সাধাৰণ সভাৰ লগত সংগতি ৰাখি ১২ আৰু ১৩ জুন তাৰিখে সংকুল কেন্দ্ৰৰ বিদ্যালয় সমূহৰ পৰিচালনা সমিতিৰ পদাধিকাৰী সকলৰ এখন কৰ্মশালা আহ্বান কৰা হৈছে। ইয়াৰ বাবে বেলেগে পত্ৰ প্ৰেৰণ কৰা হৈছে।<br>২। পূৰ্ণকালীন কাৰ্য্যকৰ্ত্তা আৰু সংকুল প্ৰমুখ সকলে ১২ জুন তাৰিখে সন্ধিয়া ৫-০০ বজাৰ আগেয়ে বৈঠকৰ স্থান পাবহি লাগিব আৰু সাধাৰণ সভা শেষ হোৱাৰ পিছতহে উভতি যাব পাৰিব।<br>৩। সাধাৰণ সভাৰ অন্যান্য মাননীয় সদস্য সকলে ১৩ জুন, ২০১৫ তাৰিখ শনিবাৰে আবেলি ৫-০০ বজাৰ আগতে সাধাৰণ সভাৰ স্থান পাবহি লাগিব আৰু ১৪ জুন, ২০১৫ তাৰিখ দেওবাৰে দুপৰীয়া ভোজনৰ পিচত উভতি যাব পাৰিব।<br>৪। কাৰ্য্যকৰ্ত্তাসকলে নিজৰ নিত্য ব্যৱহাৰ্য্য সামগ্ৰী লগত লৈ আহিব। বিচনাৰ কাপোৰ আদি আনিব নালাগে।<br>৫। সভাৰ ব্যৱস্থা শুল্ক ১০০.০০ টকা।<br>৬। সাধাৰণ সভাৰ সদস্য সকলে বাৰ্ষিক সদস্য শুল্ক লগত লৈ আহিব। | ১। বিগত সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী পাঠ আৰু গ্ৰহণ।<br>২। সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন পাঠ আৰু গ্ৰহণ।<br>৩। ২০১৪-২০১৫ বৰ্ষৰ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ আৰু গ্ৰহণ।<br>৪। ২০১৫-২০১৬ বৰ্ষৰ বাজেট গ্ৰহণ।<br>৫। শিশু শিক্ষা সমিতি, অসমৰ কাৰ্য্যকৰী পৰিষদ পুনৰ গঠন।<br>৬। আগন্তুক কাৰ্য্যক্ৰমৰ যোজনা।<br>৭। কাৰ্য্য বিস্তাৰ আৰু বিদ্যালয়ৰ গুণৱত্তা বৃদ্ধিৰ বাবে প্ৰয়াস।<br>৮। শৈক্ষিক গুণৱত্তা বৃদ্ধিৰ বাবে শিক্ষা পৰিষদ গঠন ।<br>৯। বিদ্যালয়ৰ মানদণ্ড (Gradetion) ৰ বাবে নীতি নিৰ্ধাৰণ।<br>১০। আন্তঃগাঁথনি মজবুট কৰিবলৈ কৰা প্ৰচেষ্টা।<br>১১। চৰকাৰী পঞ্জীয়ন আৰু আৱশ্যকতা পূৰ্তিৰ বাবে প্ৰচেষ্টা।<br>১২। আচাৰ্য্য-আচাৰ্য্যাৰ আদৰ্শ তথা বিচাৰধাৰাৰ প্ৰতি প্ৰতিবদ্ধতা।<br>১৩। নতুন শিক্ষা নীতি, ২০১৫ সম্পৰ্কে আলোচনা।<br>১৪। অন্যান্য।<br><br>**যোগাযোগ ঃ** শ্ৰী শান্তি ৰাম ঠাকুৰীয়া, কাৰ্য্যালয় সচিব<br>প্ৰদেশ কাৰ্য্যালয়<br>মোবাইল নম্বৰ ঃ ৯৭০৭০২৩২৮৫ |

**সভাৰ স্থান ঃ**

শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথ

ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী - ৭৮১০২৪

বাছ ৰখা ঠাই ঃ জোনালী

(অসম ৰাজ্যিক চিৰিয়াখানাৰ ওচৰত)

ভৱদীয়

**শ্ৰী সদা দত্ত**

সাধাৰণ সম্পাদক

শিশু শিক্ষা সমিতি, অসম